# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***
-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জুৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত দ্বিপাক্ষিক, আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত আলোচনাত মিলিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ৰাজহুৱা পদবীত আজি ২৩ বছৰ সম্পূৰ্ণ কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত বাওপন্থী সন্ত্ৰাসবাদৰ দ্বাৰা প্ৰভাৱিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে।

৪। পাকিস্তানৰ কৰাচী বিমান বন্দৰৰ বাহিৰত কালি নিশা হোৱা এটা বিস্ফোৰণত দুজন লোক নিহত হোৱাৰ লগতে আন কেইবাজনো আহত হয়। **আৰু**

৫। ভাৰতৰ বিলিয়াৰ্ডছ খেলুৱৈ পংকজ আদৱানীয়ে ছংঘে ছিংগাপুৰ অ'পেন প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত মালদ্বীপৰ ৰাষ্ট্ৰপতি ড° মহম্মদ মুইজ্জুৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত দ্বিপাক্ষিক, আঞ্চলিক তথা আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত আলোচনাত মিলিত হৈছে। আলোচনাৰ অন্ততঃ দুয়োখন দেশৰ মাজত কেইবাখনো চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে।

আজি পুৱাৰ ভাগত ড° মুইজ্জুৱে ৰাষ্ট্ৰপতিভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰে। ইয়াৰ পাছত তেওঁ ৰাজঘাটলৈ যায় আৰু মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে।

কাইলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে আগ্ৰা আৰু মুম্বাই ভ্ৰমণ কৰিব আৰু বুধবাৰে তেওঁ বেংগালুৰুলৈ যাব। উল্লেখযোগ্য যে, ড° মুইজ্জু পাঁচদিনীয়া ভাৰত ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হয়। দেশখনৰ ৰাষ্ট্ৰপতি হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছত এয়া হৈছে তেওঁৰ প্ৰথমটো দ্বিপাক্ষিক ভাৰত ভ্ৰমণ। ইয়াৰ পূৰ্বে তেওঁ চলিত বৰ্ষৰ জুন মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তেওঁৰ মন্ত্ৰী পৰিষদৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ভাৰতলৈ আহিছিল।

মালদ্বীপ হৈছে ভাৰত মহাসাগৰ খণ্ডত ভাৰতৰ গুৰুত্বপূৰ্ণ সামুদ্ৰিক চুবুৰীয়া ৰাষ্ট্ৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **সাগৰ দৰ্শন আৰু ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি**ত মালদ্বীপৰ ভূমিকা বিশেষভাৱে উল্লেখনীয়। ৰাষ্ট্ৰপতি মুইজ্জুৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত সহযোগিতা বৃদ্ধি কৰাৰ লগতে জনসাধাৰণৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে। ভাৰতে মালদ্বীপৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা বাহিনীৰ বাবে ভালেমান প্ৰশিক্ষণৰ সুযোগ প্ৰদান কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ ৰাজহুৱা পদবীত আজি ২৩ বছৰ সম্পূৰ্ণ কৰিছে। ২০০১ চনৰ আজিৰ দিনটোতেই শ্ৰী মোদীয়ে প্ৰথমবাৰৰ বাবে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীৰ উদ্যমসমূহৰ পৰা অনুপ্ৰাণিত হৈ কেন্দ্ৰত এন ডি এ চৰকাৰে ভালেমান কল্যাণমূলক কাৰ্যসূচীৰ শুভাৰম্ভ কৰিছিল। প্ৰায়েই গুজৰাট মডেল হিচাপে নামকৰণ কৰা এই পদক্ষেপসমূহ জল সংৰক্ষণ, গছপুলি ৰোপণ অভিযান, সংবিধান উদযাপন, থলুৱা উৎপাদিত সামগ্ৰীসমূহৰ বিকাশ তথা ক্ৰীড়া সংস্কৃতি উৎসাহিত কৰা আদি বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত। শ্ৰী মোদীয়ে শাসনৰ ক্ষেত্ৰত জন ভাগদাৰী অথবা জনসাধাৰণৰ অংশগ্ৰহণত অধিক গুৰুত্ব আৰোপ কৰি আহিছে। ২০০৪ চনত উত্তৰ গুজৰাটৰ পানীৰ অভাৱ থকা অঞ্চলসমূহৰ বাবে মুকলি কৰা সুজলম-সুফলম জল অভিযানৰ অভিজ্ঞতাসমূহৰ পৰা অনুপ্ৰাণিত হৈয়েই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বহু চৰ্চিত জল জীৱন অভিযান আৰম্ভ কৰা হৈছিল। ইয়াৰ জৰিয়তে গুজৰাটৰ জনসাধাৰণৰ জল সমস্যা দূৰীকৰণৰ উদ্দেশ্যে নৰ্মদা নৈৰ পানী গুজৰাটলৈ বোৱাই অনাৰ লগতে নৈ সমূহৰ মাজত আন্তঃ সংযোগ বৃদ্ধি কৰা আৰু বৰষুণৰ পানী সংৰক্ষণত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি অহা হৈছে।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজহুৱা পদবীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৩ বছৰ সম্পূৰ্ণ কৰাৰ বাবে তেওঁক অভিনন্দন জ্ঞাপন কৰে। শ্ৰী শ্বাহে কয় যে, শ্ৰী মোদীৰ এই দীঘলীয়া যাত্ৰা ৰাজহুৱা জীৱনত থকা সকলোৰে বাবে জীৱন্ত প্ৰেৰণাৰ উৎস হিচাপে পৰিগণিত হৈছে। সামাজিক মাধ্যমৰ এটা পʼষ্টত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ এই দীঘলীয়া যাত্ৰা একাগ্ৰতা আৰু উৎসৰ্গাৰ প্ৰতীক। শ্ৰীমোদীয়ে তেওঁৰ সমগ্ৰ জীৱন ৰাষ্ট্ৰৰ স্বাৰ্থ তথা জনসাধাৰণৰ কল্যাণৰ হকে উৎসৰ্গা কৰিছে বুলি তেওঁ লগতে উল্লেখ কৰে। শ্ৰীশ্বাহে কয় যে, দুখীয়া লোকসকলৰ কল্যাণ, দেশৰ উন্নয়ন তথা বিশ্বত ভাৰতৰ পৰিচয় প্ৰতিষ্ঠাৰ হকে কিদৰে সমন্বয়ৰে কাম কৰিব লাগে সেয়া শ্ৰী মোদীয়ে দেখুৱাইছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নৱৰাত্ৰিৰ পঞ্চম দিনটোত দেৱী স্কন্দমাতাৰ প্ৰতি পূজা-অৰ্চনা আগবঢ়ায়। সামাজিক মাধ্যমৰ এটা পʼষ্টত শ্ৰী মোদীয়ে মা সুখদায়িনী-মোক্ষদায়িনীয়ে যেন সকলোকে আশীৰ্বাদ প্ৰদান কৰে, তাৰ বাবে প্ৰাৰ্থনা কৰে। তেওঁ লগতে এটি গৰ্বা গীতো সামাজিক মাধ্যমযোগে শ্বেয়াৰ কৰে।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত বাওপন্থী সন্ত্ৰাসবাদৰ দ্বাৰা প্ৰভাৱিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত অন্ধ্ৰপ্ৰদেশ, বিহাৰ, ছত্তিশগড়, ঝাৰখণ্ড, তেলেংগানা, ওড়িশা, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰীসকলে অংশগ্ৰহণ কৰিছে। তদুপৰি এই বৈঠকত ৰাষ্ট্ৰীয় সুৰক্ষা উপ পৰামৰ্শদাতাৰ লগতে কেন্দ্ৰ, ৰাজ্য তথা কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ শীৰ্ষ বিষয়াসকলেও অংশগ্ৰহণ কৰিছে। বৈঠকৰ পূৰ্বে গৃহ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি কেন্দ্ৰীয় চৰকাৰ ২০২৬ চনৰ মাৰ্চ মাহৰ ভিতৰত বাওপন্থী সন্ত্ৰাসবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ বদ্ধ পৰিকৰ। কেন্দ্ৰই এনে ৰাজ্যসমূহক নক্সালবাদৰ বিৰুদ্ধে যুঁজ দিবলৈ যাৱতীয় সহযোগিতা আগবঢ়াইছে বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি নৰেন্দ্ৰ মোদী চৰকাৰৰ ৰণনীতিৰ বাবে ২০১০ চনৰ তুলনাত ২০২৩ চনত বাওপন্থী সন্ত্ৰাসবাদৰ হিংসাত্মক কাৰ্যকলাপ ৭২ শতাংশলৈ হ্ৰাস পোৱাৰ লগতে মৃত্যুৰ সংখ্যা ৮৬ শতাংশলৈ

হ্ৰাস পাইছে। আনহাতে ২০২৪ চনত বৰ্তমানলৈকে নিৰাপত্তা বাহিনীৰ হাতত ২০২টা বাওপন্থী সন্ত্ৰাসবাদীৰ মৃত্যু হোৱাৰ লগতে ৭২৩টা সন্ত্ৰাসবাদীয়ে আত্মসমৰ্পণ কৰিছে তথা ৮১২টা সন্ত্ৰাসবাদীক আটক কৰা হৈছে। একেদৰে এই বছৰত বাওপন্থী সন্ত্ৰাসবাদ প্ৰভাৱিত জিলাৰ সংখ্যাও ৩৮লৈ হ্ৰাস পাইছে। মন্ত্ৰালয়ে কৈছে যে, চৰকাৰে প্ৰভাৱিত ৰাজ্যসমূহৰ অতি ভিতৰুৱা অঞ্চলসমূহৰ উন্নয়নৰ বাবে পথ আৰু মোবাইল যোগাযোগৰ সুবিধাকে ধৰি বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। এই অঞ্চলসমূহত ১৪ হাজাৰ কিলোমিটাৰতকৈও অধিক পথ নিৰ্মাণ কৰাৰ লগতে প্ৰায় ছহেজাৰ মোবাইল টাৱাৰ স্থাপন কৰা হৈছে বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে।

০০০০০০০

পাকিস্তানৰ কৰাচী বিমান বন্দৰৰ বাহিৰত কালি নিশা হোৱা এটা বিস্ফোৰণত দুজন লোক নিহত হোৱাৰ লগতে আন কেইবাজনো আহত হয়। বিচ্ছিন্নতাবাদী সন্ত্ৰাসবাদী গোট বেলুচ লিবাৰেশ্বন আৰ্মী চমুকৈ বি এল এয়ে এই বিস্ফোৰণ দায়িত্ব স্বীকাৰ কৰিছে। চীনৰ অভিযন্তা আৰু বিনিয়োগকাৰীৰ এটা উচ্চস্তৰীয় কনভয়ক লক্ষ্য কৰি সন্ত্ৰাসবাদী গোটটোৱে এই বিস্ফোৰণ সংঘটিত কৰাৰ কথা স্বীকাৰ কৰিছে। ঘটনাত আহত লোকসকলক ততাতৈয়াকৈ জিন্না স্নাতকোত্তৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০০

তামিলনাডুৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী এম সুব্ৰমন্যমে কালি চেন্নাইত অনুষ্ঠিত বায়ু প্ৰদৰ্শনীত ৫ গৰাকী দৰ্শকৰ চিকিৎসালয়ত মৃত্যু ঘটা বুলি সদৰি কৰে। চেন্নাইত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত তেওঁ প্ৰচণ্ড গৰমৰ বাবে লোককেইজনৰ মৃত্যু হোৱা বুলি প্ৰকাশ কৰে। বায়ু প্ৰদৰ্শনীৰ বাবে গ্ৰহণ কৰা সকলো ধৰণৰ ব্যৱস্থাৰ বিষয়ে তেওঁ সংবাদ মাধ্যমৰ আগত অৱগত কৰাৰ লগতে প্ৰদৰ্শনীৰ সময়ছোৱাত যিকোনো ধৰণৰ জৰুৰীকালীন পৰিস্থিতিৰ বাবে চিকিৎসকৰ দলো সাজু কৰি ৰখা হৈছিল বুলিও জানিবলৈ দিয়ে। তেওঁ কয় যে, জৰুৰীকালীন পৰিস্থিতিৰ বাবে ৪০ খন এম্বুলেন্স সাজু কৰি ৰখাৰ লগতে কেইবাটাও পেৰা মেডিকেল দল প্ৰদৰ্শনীস্থলিত উপস্থিত আছিল। লোককেইজনৰ মৃত্যুক অত্যন্ত দুৰ্ভাগ্যজনক বুলি আখ্যা দি মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰচণ্ড গৰমৰ প্ৰতি লক্ষ্য ৰাখি বায়ু সেনাই প্ৰদৰ্শনী উপভোগ কৰিবলৈ অহা লোকসকলক ছাতি, টুপী আৰু খোৱাপানী লগত আনিবলৈ আগতীয়াকৈ আহ্বান কৰিছিল।

০০০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে কালি বায়ু প্ৰদৰ্শনীত হোৱা দুৰ্ঘটনাৰ বাবে ডি এম কে চৰকাৰক সমালোচনা কৰে। তিৰুনেলভেলীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে বায়ু সেনাৰ সৈতে সঠিক সমন্বয় ৰক্ষা নকৰাৰ বাবে চৰকাৰখনক দোষাৰোপ কৰে। তেওঁ লগতে ৰাজ্যখনত ড্ৰাগছৰ বেহা বৃদ্ধিৰ বাবেও ডি এম কে চৰকাৰক দোষাৰোপ কৰে।

০০০০০০০

ভাৰতৰ বিলিয়াৰ্ডছ খেলুৱৈ পংকজ আদৱানীয়ে ছংঘে ছিংগাপুৰ অ'পেন প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। কালি অনুষ্ঠিত ফাইনেলত পংকজে ছিংগাপুৰৰ জাডেন অ'ঙক ৫-১ ফলাফলত পৰাজিত কৰি এই খিতাপ অৰ্জন কৰে। পংকজে অহা মাহত ডোহাত অনুষ্ঠিত হ'বলগীয়া বিশ্ব বিলিয়াৰ্ডছ প্ৰতিযোগিতাত দেশক প্ৰতিনিধিত্ব কৰিব।

০০০০০০০

মহিলা টি-টুৱেণ্টি বিশ্বকাপ প্ৰতিযোগিতাত আজি সন্ধিয়া শ্বাৰজাহত অনুষ্ঠিত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত ইংলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। কালি ডুবাইত অনুষ্ঠিত এখন খেলত পাকিস্তানৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰি ভাৰতে ছেমি ফাইনেল খেলাৰ আশা সজীৱ কৰি ৰাখিছে। ভাৰতে নিৰ্ধাৰিত অভাৰ শেষ হ'বলৈ ৭ বল বাকী থকা অৱস্থাত পাকিস্তানে নিৰ্ধাৰণ কৰি দিয়া ১০৬ ৰানৰ বিজয় লক্ষ্যত উপনীত হয়। কালিৰ খেলখনত ৩ উইকেট লাভ কৰা অৰুন্ধতী ৰেড্ডীক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। ভাৰতে পৰহিলৈ শ্ৰীলংকাৰ বিৰুদ্ধে আৰু অহা দেওবাৰে যোৱাবাৰৰ বিজয়ী অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলিব।

০০০০০০০

সমাপ্ত